# REGIONAL NEWS UNIT

ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 26-OCT-2026

**Time :** 11 AM

## ASSAMESE 11 PM BULLETIN

———————————————————————————————

অৰুণাচল প্ৰদেশত প্ৰস্তাৱিত ১১ হাজাৰ ২০০ মেগাৱাট শক্তি সম্পন্ন আপাৰ চিয়াং বহুমুখী প্ৰকল্পৰ বিৰোধিতাৰে কৰা প্ৰতিবাদৰ সময়ত পাচিঘাটত সংঘটিত হিংসাত্মক পৰিস্থিতিৰ পাছত কেন্দ্ৰই ৰাজ্যখনলৈ চি আৰ পি এফ-ৰ দুটা ৰেপিড এক্সন ফ'ৰ্চ কোম্পানী প্ৰেৰণ কৰিছে। গৃহ পৰিক্ৰমা মন্ত্ৰালয়ে দিয়া নিৰ্দেশ অনুসৰি নৱী মুম্বাইৰ পৰা ভাৰতীয় বায়ুসেনাৰ পৰিবহণ বিমানেৰে কঢ়িয়াই অনা ৰেপিড এক্সন ফ'ৰ্চৰ ২৫০ জন জোৱানক কালি ৰাজ্যখনত মোতায়েন কৰা হয়। ৰেপিড এক্সন ফ'ৰ্চ হৈছে বিশেষ নীলা ইউনিফৰ্ম পৰিধান কৰা চি আৰ পি এফ-ৰ সংঘাত প্ৰতিৰোধী গোট। অৰুণাচল প্ৰদেশত স্থায়ীভাৱে চি আৰ পি এফৰ ২-৩টা বেটেলিয়ন আছে আৰু ৰাজ্যখনত সংঘৰ্ষজৰ্জৰ অঞ্চলসমূহত কেইবাটাও চি আৰ পি এফৰ গোট মোতায়েন কৰা হৈছে। চৰকাৰী সূত্ৰ অনুসৰি চি আৰ পি এফৰ জোৱানসকলে যোৱা শুকুৰবাৰৰ পৰা পৰিস্থিতি নিয়ন্ত্ৰণ কৰি আছে আৰু হিংসাত্মক ঘটনা যাতে বৃদ্ধি নহয় সেয়াও নিশ্চিত কৰিছে।

অৰুণাচলৰ মুখ্যমন্ত্ৰী পেমা খাণ্ডুৱে শান্তিপূৰ্ণ প্ৰতিবাদৰ অধিকাৰ গণতন্ত্ৰৰ অবিচ্ছেদ্য অংশ বুলি উল্লেখ কৰি কয় যে এনে প্ৰতিবাদ আইনৰ পৰিসীমাৰ ভিতৰত থকাটো প্ৰয়োজন আৰু এনে প্ৰতিবাদৰ ফলত সম্পত্তিৰ ক্ষয়-ক্ষতি অথবা আইন শৃংখলা পৰিস্থিতি ব্যাহত হোৱাটো উচিত নহয়।

oooooo

ভাৰতীয় গণনাট্য সংঘ, আই পি টি এৰ অসম ৰাজ্যিক সমিতিয়ে বছৰজোৰাকৈ আয়োজন কৰা সুধাকণ্ঠ ড০ ভূপেন হাজৰিকাৰ জন্ম শতবৰ্ষৰ সামৰণী অনুষ্ঠান অহা ৩ নৱেম্বৰত উদযাপন কৰিবলৈ লোৱা হৈছে। ভাৰতৰত্ন সন্মানেৰে বিভূষিত আই পি টি এৰ প্ৰাক্তন কাণ্ডাৰীগৰাকীৰ জীৱন আৰু কৰ্মৰ স্মৃতিচাৰণৰ উদ্দেশ্যে আয়োজন কৰা এই অনুষ্ঠানটিত গীত-মাতৰ অনুষ্ঠানৰ লগতে স্মাৰক বক্তৃতানুষ্ঠানো সম্পন্ন হ'ব। ৰাজ্যৰ এগৰাকী বিশিষ্ট নিৱন্ধকাৰ ড০ পৰমানন্দ মজুমদাৰে এই অনুষ্ঠানত মুখ্য বক্তা হিচাপে অংশগ্ৰহণ কৰিব বুলি ভাৰতীয় গণনাট্য সংঘৰ ৰাজ্যিক সমিতিয়ে জানিবলৈ দিছে।

আনহাতে অহা ১৮ ডিচেম্বৰৰ পৰা ৰাজস্থানৰ আল্লোৱাৰত আয়োজিত নৃত্য-গীতৰ ৰাষ্ট্ৰীয় উৎসৱতো আই পি টি এৰ অসম ৰাজ্যিক সমিতিৰ এটা প্ৰতিনিধি দলে অংশগ্ৰহণ কৰাৰ সম্ভাৱনাৰ বিষয়ে সমিতিয়ে প্ৰকাশ কৰিছে।

oooooo

নতুন দিল্লীত সংসদৰ সংবিধান সদনত আজি দ্বাদশ ব্ৰীকছ্ সংসদীয় সন্মিলন আৰম্ভ হৈছে। এই দুদিনীয়া সন্মিলনৰ মূল বিষয়বস্তু হৈছে— জনসাধাৰণ কেন্দ্ৰিক উন্নয়নৰ বাবে সংসদৰ সৰলীকৰণ। লোকসভাৰ অধ্যক্ষ তথা দ্বাদশ ব্ৰীকছ্ সংসদীয় সন্মিলনৰ অধ্যক্ষ ওম বিৰলাৰ লগতে ব্ৰীকছ্ সদস্যৰাষ্ট্ৰ আৰু অংশীদাৰ দেশসমূহৰ সংসদীয় নেতাসকলে এই বৈঠকত অংশ লৈছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই সন্মিলনত অংশগ্ৰহণ কৰিব আৰু সন্মিলনত ভাগ লোৱা প্ৰতিনিধিসকলক সাক্ষাৎ কৰিব। এই সন্মিলনলৈ ব্ৰীকছ্ ৰাষ্ট্ৰগোষ্ঠীৰ ১১ খন সদস্য ৰাষ্ট্ৰ আৰু ১০ খন সহযোগী ৰাষ্ট্ৰক আমন্ত্ৰণ জনোৱা হৈছে।

০০০০০০

দেশৰ আন অংশৰ লগতে অসমতো আজিৰে পৰা ১ নৱেম্বৰলৈ তদাৰকী সজাগতা সপ্তাহ পালন কৰিবলৈ লোৱা হৈছে। স্বচ্ছ, নিকা, দায়বদ্ধ দুনীৰ্তিমুক্ত সমাজ গঢ়াৰ লক্ষ্যৰে প্ৰতিবছৰে এই সপ্তাহ পালন কৰা হয়। এইবাৰ এই সপ্তাহৰ মূল বিষয়বস্তু হৈছে সততাৰ জৰিয়তে সমৃদ্ধি। এই সপ্তাহৰ অংশ হিচাপে মন্ত্ৰালয়, বিভাগ, ৰাজহুৱা প্ৰতিষ্ঠান, বেংক আৰু আন সংস্থাৰ কৰ্মচাৰী সকলৰ মাজত সজাগতা সৃষ্টিৰ উদ্দেশ্যে শপতবাক্য পাঠ কৰোৱা হ'ব।

০০০০০০

ধুবুৰী জিলাৰ গৌৰীপুৰৰ এটি ৮ বছৰীয়া কন্যা শিশুৱে হিমালয় পৰ্বতৰ পাদদেশৰ অন্নপূৰ্ণা বে'ছ কেম্পত উপস্থিত হৈ অসমলৈ গৌৰৱ কঢ়িয়াই আনিছে। সম্প্ৰতি তৃতীয় শ্ৰেণীত পঢ়ি থকা ত্ৰিশিকা মজুমদাৰ নামৰ শিশুটি যোৱা ২৩ অক্টোবৰত ডিঙিত গামোচা লৈ ভূ-পৃষ্ঠৰ পৰা ১৩ হাজাৰ ৫৫০ ফুট উচ্চতাৰ বে'ছ কেম্পটোত উপস্থিত হয়। প্ৰায় ৫ বছৰ বয়সৰ পৰা ট্ৰেকিং কৰি অহা ত্ৰিশিকাই দেখুওৱা এই অদম্য মনোবলৰ বাবে জিলাবাসীয়ে আনন্দ প্ৰকাশ কৰাৰ লগতে পৰ্বতাৰোহণৰ সৈতে জড়িত বিভিন্ন সংস্থা আৰু সংগঠনে তেওঁক অভিনন্দন জনাইছে।

০০০০০০

নগাঁও চহৰৰ বৰবজাৰত আজি পুৱতি নিশা আৰক্ষীয়ে অভিযান চলাই বুজন পৰিমাণৰ মাদক দ্ৰব্য জব্দ কৰে। আৰক্ষীয়ে এই সংক্ৰান্তত ৪ জন সৰবৰাহকাৰীক আটক কৰে। ধৃত লোককেইজন হৈছে সুবীৰ সাহা, জেহৰুল হক, জমিৰ হুছেইন আৰু মুকছিদুল হক। লোককেইজনে দীৰ্ঘদিন ধৰি ব্ৰাউন ছুগাৰকে ধৰি অন্যান্য নিচাজাতীয় সামগ্ৰী সৰবৰাহ কৰি আহিছিল বুলি আৰক্ষীয়ে জনাইছে।

০০০০০০

গুৱাহাটী ক্ৰীড়া সংস্থাৰ উদ্যোগত আৰু অসম ক্ৰিকেট সংস্থাৰ পৃষ্ঠপোষকতাত কাইলৈৰ পৰা ৰাজ্যৰ ৩০টা স্থানত ৭১ সংখ্যক লোকপ্ৰিয় গোপীনাথ বৰদলৈ ট্ৰফী ফুটবল প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। গুৱাহাটীত কালি এখন সংবাদমেলত গুৱাহাটী ক্ৰীড়া সংস্থাৰ মুখ্য কাৰ্যবাহী বিষয়া মুনীন নবীশে কয় যে প্ৰতিযোগিতাখনত ২৯ খন জিলাৰ ২৩২টা দলে অংশগ্ৰহণ কৰিব। তিনিটা পৰ্য্যায়ত হ'বলগীয়া প্ৰতিযোগিতাখনৰ মুঠ প্ৰাইজমানিৰ পৰিমাণ ৮০ লাখ টকা। প্ৰতিযোগিতখনৰ অন্তিম পৰ্যায়ৰ খেলসমূহ অহা ২০ নৱেম্বৰৰ পৰা গুৱাহাটীৰ জজ খেলপথাৰত অনুষ্ঠিত হ'ব। অহা ২৯ নৱেম্বৰত সামৰণি পৰিবলগীয়া এইবাৰৰ বৰদলৈ ট্ৰফীৰ দায়িত্ব অসম ক্ৰিকেট সংস্থাই লোৱা বুলি সংবাদমেলযোগে আয়োজক সমিতিয়ে জানিবলৈ দিয়ে।

০০০০০০

**সমাপ্ত**